অধ্যায় ১২ ঃ সামাজিক লোকাচাৰ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ সামাজিক লোকাচাৰ
১২.৩.১ লোকবিশ্বাস আৰু লোকধর্ম
১২.৩.২ লোক উৎসৱ-অনুষ্ঠান
১২.৩.৩ অৱসৰ-বিনোদন আৰু খেল-ধেমালি
১২.৩.৪ লোকঔষধ আৰু লোকচিকিৎসা
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্রগতিৰ খতিয়ান
১২.৭ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক লোকাচাৰ মানে কি সেই বিষয়ে ধাৰণা লাভ কৰিব
- অসমৰ লোকবিশ্বাস আৰু লোকধর্ম সম্পর্কে আভাস লাভ কৰিব
- অসমৰ লোক উৎসৱ-অনুষ্ঠানসমূহৰ বিষয়ে জ্ঞাত হ'ব
- অসমীয়া জন সমাজত প্রচলিত বিবিধ অৱসৰ-বিনোদন আৰু খেল-ধেমালিৰ বিষয়ে বিস্তৃত ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমৰ লোকঔষধ আৰু লোকচিকিৎসা প্রণালীৰ বিষয়ে ধাৰণা লাভ কৰিব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি মৌখিক সাহিত্য সম্পর্কে অধ্যয়ন কৰিলে। মৌখিক সাহিত্য মানে কি সেই বিষয়ে সম্যক ধাৰণা লাভ কৰি অসমৰ লোকসমাজত প্রচলিত বিবিধ মৌখিক সমলৰাজিৰ বিষয়ে এক বিস্তৃত ধাৰণা লাভ কৰিলে। এইটো অধ্যায়ত আপুনি সামাজিক লোকাচাৰ সম্পর্কে সম্যক জ্ঞান আহৰণ কৰি অসমীয়া সামাজিক লোকাচাৰৰ বিষয়ে অধ্যয়ন কৰিব।

লোকসংস্কৃতিৰ চাৰিটা প্রধান ভাগৰ ভিতৰত এটা উল্লেখযোগ্য বিভাগ হ'ল সামাজিক লোকপ্রথা বা লোকাচাৰ। সামাজিক লোকাচাৰ বুলি ক'লে পৰিয়াল বা সমাজৰ বিভিন্ন ধর্মীয়

তথা সংস্কাৰমূল কৃত্য, পূজা-উপাসনা, খেল-ধেমালি আৰু পৰম্পৰাগত বিশ্বাস অনুসৰি ৰোগ-ব্যাধিৰ নিৰাময় বাবে কৰা চিকিৎসাৰ কথাকেই আমি বুজোঁ। এই বিষয়ে আপুনি এইখন পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়তে সম্যক ধাৰণা লাভ কৰি আহিছে। এতিয়া আমি এই বিষয়ে বিস্তৃতভাৱে অধ্যয়ন কৰিম। এই অধ্যায়টিয়ে আপোনাক অসমীয়া লোকজীৱন সম্পৰ্কে এক সঠিক ধাৰণা প্ৰদান কৰিব।

১২.৩ সামাজিক লোকাচাৰ

লোকসংস্কৃতিৰ ক্ষেত্ৰখনত সামাজিক লোকাচাৰে এক তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। প্ৰধানতঃ ভৌতিক সংস্কৃতি তথা মৌখিক সাহিত্যৰ মধ্যভাগত বিৰাজ কৰা পৰম্পৰাগত জীৱনে ব্যক্তিগত অন্যোন্যক্ৰিয়াতকৈ সমাজগত অন্যোন্যক্ৰিয়াৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। লোকজীৱন মুখ্যতঃ লোকবিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত। এই লোকবিশ্বাসৰ খেও ধৰিয়েই সৃষ্টি হৈছে লোকধৰ্ম আৰু বিভিন্ন আচাৰ-অনুষ্ঠান। পৰিণতিত সৃষ্টি হয় সামাজিক লোকপ্ৰথা বা লোকাচাৰ। খেলা-ধূলা, অৱসৰ-বিনোদন, লোকঔষধো এই পৰম্পৰাৰ ভিতৰুৱা।

অসমৰ সৰহভাগ মানুহেই কৃষিজীৱী আৰু গাঁও অঞ্চলত বসবাস কৰে। কৃষিৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা জনসমাজত প্ৰচলিত সামাজিক আচাৰ-অনুষ্ঠানসমূহত শাস্ত্ৰীয় উপাদান দুই এক থাকিলেও এইবোৰ মূলতঃ লোকসমাজ আশ্ৰয়ী। আনহাতে অসমীয়া সামাজিক আচাৰ-অনুষ্ঠানসমূহত বিভিন্ন জাতি-উপজাতি-সংস্কৃতিৰ অবিচ্ছেদ্যতা লক্ষ্য কৰা যায়। সেই বাবেই লোকসংস্কৃতিবিদসকলে অসমৰ সামাজিক আচাৰ-অনুষ্ঠানক 'লোকায়ত আচাৰ-অনুষ্ঠান' বুলি অভিহিত কৰে। অসমৰ সামাজিক লোকাচাৰো প্ৰায়ে লোকবিশ্বাস নিৰ্ভৰশীল আৰু এইবোৰত শাৰীৰিক কাৰ্য আৰু ভৌতিক পদাৰ্থৰ স্থিতি লক্ষ্য কৰা যায়। সামাজিক লোকাচাৰসমূহৰ কিছুমান ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ সুনিৰ্দিষ্ট আৰু কিছুমান স্থানীয়। যিবিলাক আচাৰ-অনুষ্ঠান আৰু ৰীতি-নীতি যাদুমূলক তথা ধৰ্মীয় ভাবাপন্ন তেনে বিলাকক সাধাৰণতে ক্ৰিয়া-কাণ্ড বা আচাৰ-পদ্ধতি বুলিব পাৰি। ই ব্যক্তিগত আৰু ৰাজহুৱা দুই ধৰণৰে হ'ব পাৰে। ৰাজহুৱা আচাৰ-পদ্ধতিত আন আন সামাজিক আচৰণ সংযুক্ত হৈ অন্য এবিধ সামাজিক লোকাচাৰৰ জন্ম হৈছে। ইয়াক উৎসৱ-অনুষ্ঠান আখ্যা দিয়া হয়। এই বিধ উৎসৱ-অনুষ্ঠানে পৰম্পৰাগত খেল-ধেমালি, গীত-নৃত্য-বাদ্য-অভিনয় আদিত বিশিষ্ট অনুষংগ ৰূপে ভূমিকা গ্ৰহণ কৰিব পাৰে। ঠিক তেনেদৰে পূজা-উপাসনা আদিয়ে লোকঔষধ বা লোকচিকিৎসাৰ ভূমিকাও গ্ৰহণ কৰা দেখা যায়।

সামাজিক লোকাচাৰক ৰিচার্ড এম. ডৰচনে পুনৰ চাৰিটা উপবিভাগত বিভক্ত কৰি আলোচনা কৰিছে। সেই বিভাগকেইটা হ'ল—

- লোকবিশ্বাস আৰু লোকধৰ্ম
- লোক উৎসৱ-অনুষ্ঠান
- অৱসৰ-বিনোদন আৰু খেল-ধেমালি

- লোকঔষধ আৰু লোকচিকিৎসা

অসমৰ সামাজিক লোকাচাৰসমূহো এই বিভাজনৰ আধাৰতে আলোচনা কৰিব পাৰি। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ লোকসংস্কৃতিবিদসকলে অসমৰ সামাজিক আচাৰ-অনুষ্ঠানক কি বুলি অভিহিত কৰিছে?

.....

১২.৩.১ লোকবিশ্বাস আৰু লোকধর্ম

লোকবিশ্বাসৰ আধাৰতেই যিকোনো এখন জন-সমাজৰ বিবিধ আচাৰ-অনুষ্ঠান, ধর্মীয় কৃত্য আৰু লোকধর্মৰ উমান পাব পাৰি। অর্থাৎ লোকবিশ্বাসৰ আধাৰতেই এইবোৰ গঢ় লৈ উঠে। কিহৰ বাবে লোকবিশ্বাসৰ জন্ম হয় সেয়া ব্যাখ্যা কৰাতো বৰ জটিল। লোকমন সাধাৰণতে সহজ-সৰল আৰু অনাৰম্বৰ। তেওঁলোকৰ ওচৰত লোকবিশ্বাসৰ গুৰুত্ব অতিকে গভীৰ। বহু সমাজতত্ত্ববিদে ইয়াৰ উৎস 'অযৌক্তিক প্রত্যয়' বুলিও মন্তব্য কৰিছে। সেয়ে তর্কৰ সহায়ত সমাধান কৰিব নোৱৰা জাগতিক বিষয়সমূহৰ আধাৰতেই লোকবিশ্বাসৰ সৃষ্টি হয় বুলি ক'ব পাৰি। আনহাতে লোকবিশ্বাসৰ মাজতে সোমাই আছে অন্ধবিশ্বাসো। অন্ধবিশ্বাস বুলি ক'লে আমি সেইবিলাক বিশ্বাসৰ কথাকেই বুজিম যিবোৰ যুক্তিৰে বিশ্লেষণ কৰিব নোৱাৰি। কিছুমান লোকবিশ্বাসৰ ক্ষেত্রত যুক্তি নির্ভৰশীলতা থাকে যদিও অন্ধবিশ্বাসত সেয়া কেতিয়াও নাথাকে। সেয়ে কোৱা হয় অন্ধবিশ্বাস মূলতঃ লোকবিশ্বাস, আচাৰ-অনুষ্ঠান আৰু ক্রিয়া-কাণ্ডৰ সমষ্টি মাথোন।

সাধাৰণতে যিবোৰ বিষয়ৰ কার্য-কাৰণ যুক্তিনিষ্ঠভাৱে অধ্যয়ন কৰিব পাৰি তাতেই বিজ্ঞানৰ স্থিতি লক্ষ্য কৰা যায়। কিন্তু বিজ্ঞান বিফল হ'লেই তাত অন্ধবিশ্বাস, যাদু আৰু ধর্মই প্রাধান্য লাভ কৰে। সেই ক'ব পাৰি লোকবিশ্বাস বা অন্ধবিশ্বাসৰ সৈতে ধর্ম আৰু ধর্মীয় কৃত্যৰ সম্পর্কও ৰক্ষিত হৈছে।



জানি থোৱা ভাল

লোকবিশ্বাস আৰু অন্ধবিশ্বাসৰ মাজত সাধাৰণ পার্থক্যও আছে। লোকবিশ্বাসত আনক অপকাৰ কৰাৰ প্রৱণতা নাথাকে কিন্তু অন্ধবিশ্বাসত সেয়া বিৰাজমান। অনেক ক্ষেত্রত নিষিদ্ধ কথা বা কামে (taboo) অন্ধবিশ্বাসৰ সৃষ্টি কৰে। অন্ধবিশ্বাস যুক্তিহীন বিশ্বাস বা অর্দ্ধবিশ্বাস বা আচৰণ। সাধাৰণতে অজ্ঞান, তিমিৰাচ্ছন্ন সমাজতহে অন্ধবিশ্বাসে প্রাধান্য লাভ কৰে যদিও অভিজাত সমাজতো ইয়াৰ প্রচলন আছে।

উল্লেখযোগ্য যে প্ৰায়বিলাক অন্ধবিশ্বাসতে একোটা চৰ্ত বা উপকৰণ (যদি, যেনে, যেতিয়া আদি) যুক্ত হৈ থাকে। উদাহৰণস্বৰূপে — যেতিয়া বাঁহ ফুলে তেতিয়া দেশত দুৰ্ভিক্ষ হয়; ঘৰৰ চালত যদি শগুণ পৰে তেন্তে অপকাৰ হয়, ঘৰৰ কাৰোবাৰ মৃত্যু হয় ইত্যাদি।

বিভিন্ন লোকসংস্কৃতিবিদে লোকবিশ্বাসসমূহৰ পুনৰ কেইবাটাও সৰু সৰু বিভাগত বিভক্ত কৰি আলোচনা কৰিছে। তথাপিও গঠনপ্ৰণালীৰ দিশেৰে তিনিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি।

- সংকেত লোকবিশ্বাস
- যাদু লোকবিশ্বাস
- পৰিৱৰ্তিত লোকবিশ্বাস

- *সংকেত লোকবিশ্বাস ঃ* এক চৰ্ত আৰু পৰিণতিৰ সংমিশ্ৰণত সৃষ্টি হয় সংকেত লোকবিশ্বাস। ই মূলতঃ ভৱিষ্যৎবাণীৰ প্ৰকাৰ্য সাধন কৰে। যেনে— পৰুৱাই লানি ল'লে বৰষুণ হয়, উঁইপৰুৱা ওলালে খৰ হয়।
- *যাদু লোকবিশ্বাস ঃ* যাদু লোকবিশ্বাসসমূহ প্ৰায়ে যুক্তিবিহীন আৰু ইয়াত মানুহে সক্ৰিয়া ভূমিকা গ্ৰহণ কৰে। অৰ্থাৎ মানৱ কাৰ্যাৱলী অভিপ্ৰায়যুক্ত। অসমীয়া লোকসমাজত প্ৰচলন থকা যাদু লোকবিশ্বাসৰ উদাহৰণ হ'ল 'হাইদাং পূজা' আৰু 'হুদুম পুজা'। এই দুবিধ পূজা কৰিলে বৰষুণ হয় বুলি বিশ্বাস কৰা হয়।
- *পৰিবৰ্তিত লোকবিশ্বাস ঃ* ইয়াত সংকেত আৰু যাদু উভয় শ্ৰেণীৰ লোকবিশ্বাসৰ সমল নিহিত হৈ থাকে আৰু সৎকেত লোকবিশ্বাসক যাদু লোকবিশ্বাসলৈ পৰিবৰ্তন কৰিব পাৰি। এনে লোকবিশ্বাসকে পৰিবৰ্তিত লোকবিশ্বাস বোলে। যেনে— ভাদ মাহৰ বাদে বেলেগ মাহত কল গছ ৰোপণ কৰিলেহে সফলতা লভিব পাৰি, বাটত হাতী দেখা পালে আশা-আকাংক্ষা ফলৱতী হয়, ইত্যাদি।

গঠনপ্ৰণালীৰ দিশৰ পৰা উল্লিখিত তিনি ধৰণে যিদৰে অসমীয়া লোকবিশ্বাসক ভাগ কৰিব পাৰি, ঠিক তেনেদৰে বিষয়বস্তুৰ ফালৰ পৰাও অসমীয়া লোকবিশ্বাসক বিভিন্ন ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি। সেইবোৰ হ'ল— (ক) ধৰ্মীয় লোকবিশ্বাস, যেনে— মহামাৰী বা সংক্ৰামক ব্যাধিৰ সময়ত মনসা দেৱী বা মাৰৈ পূজা কৰা, বাথৌ পূজা কৰা আদি; (খ) জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস, যেনে— কৃষিকাৰ্যত ব্যৱহাৰ কৰা গৰু বা মতা ম'হে যাতে বন শিকাওতে একে অসুবিধা নকৰে তাৰ বাবে কল, মাহ, চাউল আৰু ভাঙেৰে বুঢ়াগোসাঁইক পূজা কৰা হয়, দিনত শিয়ালে ৰাউচি জুৰিলে অমংগল হ'ব বুলি ভবা ইত্যাদি; (গ) চৰাই-চিৰিকতি বিষয়ক লোকবিশ্বাস, যেনে— এযোৰ শালিকা চৰাই দেখিলে দিনটো ভাল হ'ব বুলি ভবা, কাউৰীয়ে ৰমলিয়ালে ঘৰলৈ আলহী আহিব বুলি বিশ্বাস কৰা আদি; (ঘ) গছ-গছনি, লতা-লতিকা, ফুল-ফল কেন্দ্ৰিক লোকবিশ্বাস, যেনে— ভূতপ্ৰেত খেদিবলৈ সৰিয়হ, আদা বা হালধি ব্যৱহাৰ কৰা,

তামোলেৰে মোহনী মৰা আদি; (ঙ) অলৌকিক লোকবিশ্বাস, যেনে— লোহা আৰু জুই থাকিলে ভূতে নধৰে, শুকান জলকীয়া পুৰিলে ভূত পলায়, ইত্যাদি; (চ) মাহ-বাৰ-তিথি-দিশ সম্বন্ধীয় লোকবিশ্বাস, যেনে— মল মাহত বিয়া পতা নহয়, শাওণ মাহত পাণ ৰুব লাগে, ইত্যাদি; (ছ) মানৱ শৰীৰ আৰু আচৰণ সম্পৰ্কীয় লোকবিশ্বাস, যেনে— নাক জোঙা জন বুদ্ধিমান, সাপ নেজীয়া চুলিৰ নাৰী কুলক্ষণা ইত্যাদি; (জ) যাত্রা সম্পৰ্কীয় লোকবিশ্বাস, যেনে— যাত্রাকালত শূন্য বা খালি কলহ, নাও, তেলী আদি দেখা অশুভজনক; (ঝ) খাদ্য সম্পৰ্কীয় লোকবিশ্বাস, যেনে— ৰাতি তিতা খোৱা নিষেধ, নতুন আলহীক প্রথম সাজ ভাতত টেঙা দিব নালাগে আদি; (ঞ) জন্ম সম্পৰ্কীয় লোকবিশ্বাস, যেনে — প্রসূতিৰ ওচৰত তুঁহ জুই ৰখা, কচুথোৰৰ জালুকৰ জাল দি খুওৱা আদি; (ট) বিবাহ সম্পৰ্কীয় লোকবিশ্বাস, যেনে— দৈয়ন দিয়া, পুষ্পিতা হ'লে চাৰি বা সাতদিনত তোলনী বিয়া পতা, কইনাৰ বেইৰ তলত কণী পোতা আদি; (ঠ) মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস, যেনে— মানুহ ঢুকালে যচা আগবঢ়োৱা, মৃতকৰ শ্রাদ্ধ নোযোৱালৈকে একবস্ত্রে থকা ইত্যাদি। এইবোৰৰ উপৰি আন বহুতো লোকবিশ্বাস অসমীয়া সমাজত প্রচলন হৈ আহিছে। সেইবোৰক বিবিধ বিষয়ক লোকবিশ্বাস নামৰ ভাগটিত অন্তর্ভুক্ত কৰা হৈছে। অসমীয়া লোকবিশ্বাসৰ পথাৰখন ইমানে ব্যাপক যে সেয়া সকলোখিনি লিখিবলৈ হ'লে বহু দীঘলীয়া হ'ব। সেয়ে ইয়াত আপোনাৰ বাবে অসমীয়া সমাজত প্রচলিত লোকবিশ্বাসৰ কিছু অংশৰ চানেকিহে দাঙি ধৰা হৈছে।



চিন্তা-চর্চা কৰক — ১২.১

আপোনাৰ অঞ্চলত প্রচলিত বিবিধ লোকবিশ্বাসসমূহ লিপিবদ্ধ কৰি উল্লিখিত শ্রেণীসমূহত ভাগ কৰিবলৈ যত্ন কৰক।

জনসমাজত প্রচলিত বিভিন্ন লোকবিশ্বাসৰ আধাৰতে লোকধর্মৰ সৃষ্টি হৈছে। লোকধর্ম মানে আমি লোকসমাজত প্রচলিত ধর্মৰ কথাকেই বুজো। জুই, পানী আৰু বতাহ—এই তিনিটা প্রধান প্রাকৃতিক উপাদান নোহোৱাকৈ মানুহ চলিব নোৱাৰে; কিন্তু এই তিনিওটাই কেতিয়াবা প্রলংয়কাৰী ৰূপ ধাৰণ কৰে। এই তিনিওটা উপাদানক সন্তুষ্ট কৰিবলৈ সততে যত্নপৰ মানুহে ক'ব নোৱৰাকৈয়ে তিনিটাকে দেৱতা স্বৰূপে জ্ঞান কৰি স্তুতি কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ ফলতেই সৃষ্টি হয় লোকধর্মৰ। অসমতো প্রাচীন কালৰেপৰা বিভিন্ন উপাসনা পদ্ধতি প্রচলন হৈ আহিছে। অসমৰ প্রাকৃতিক পৰিৱেশ বাৰে-বৰণীয়া তথা ৰহস্যময়ী। প্রকৃতিয়ে সৃষ্টি কৰা অপায়-অমংগলৰ ভেটিত মনে জন্ম দিয়া বিশ্বাসৰ পৰম্পৰাতে অসমৰ লোকধর্মৰ সৃষ্টি। আমি আগতেই উল্লেখ কৰিছো যে অসমত জাতি-উপজাতিৰ সংমিশ্রিত সাংস্কৃতিক কাঠামো দেখিবলৈ পোৱা যায়। *যোগিনীতন্ত্রত* উল্লেখ থকা 'কৈৰাতজ ধর্ম' ই ইয়াৰ প্রকৃষ্ট উদাহৰণ। অসমত প্রচলিত

খেতৰ-খেতৰীৰ পূজা, গো পূজা, শিল পূজা, গ্ৰহ পূজা, ভঠেলী, বৰাত পাশ পূজা, মনসা পূজা, ধৰ্ম দেৱতাৰ পূজা আদিয়ে লোকধৰ্মৰ চানেকি দাঙি ধৰে। উল্লেখ্য যে লোকধৰ্ম আদিক পৰিমাৰ্জন কৰিয়েই শৈৱ, শাক্ত, তান্ত্ৰিক, বৈষ্ণৱ, ভক্তি আদি ধৰ্ম বা সম্প্ৰদায়ৰ সৃষ্টি হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ 'অযৌক্তিক প্ৰত্যয়' কিহৰ উৎস বুলি অভিহিত কৰা হৈছে?

.....

প্ৰশ্ন নং ৩ ঃ ৰাতি তিতা খোৱাটো বেয়া— এইটো কোন বিধ লোকবিশ্বাসৰ অন্তৰ্ভুক্ত ?

.....

১২.৩.২ লোক উৎসৱ-অনুষ্ঠান

পৰম্পৰাগতভাৱে লোকসমাজত প্ৰচলিত হৈ অহা উৎসৱ-অনুষ্ঠানসমূহকে লোক উৎসৱ-অনুষ্ঠান বুলি কোৱা হয়। উৎসৱ-অনুষ্ঠান মূলতঃ বিশেষ এক নিৰ্দিষ্ট সামাজিক বা সাংস্কৃতিক আচৰণৰ আধাৰত জন্ম নহয়। বিভিন্ন সাংস্কৃতিক আচৰণৰ সমষ্টিগত উপাদানৰ অনুষংগ স্বৰূপে উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰা হয়। উৎসৱৰ মাজত বিভিন্ন আচৰণ, যেনে — লোকবিশ্বাস, ধৰ্মীয় কৃত্য, পুৰাকথা, জনশ্ৰুতি, সাধু, ভৌতিক সংস্কৃতি তথা লোকপৰিৱেশ্য কলা সংমিশ্ৰিত হৈ থাকে। এই প্ৰতিটো এককেই সামগ্ৰিকভাৱে সংযুক্ত হৈ উৎসৱ-অনুষ্ঠান ৰূপে স্বীকৃত হয়। ই এক প্ৰকাৰৰ জটিল আৰু সামাজিকভাৱে অতি প্ৰয়োজনীয় বিষয়। অসমীয়া সমাজতো বিভিন্ন উৎসৱ-অনুষ্ঠান প্ৰচলন থকা দেখিবলৈ পোৱা যায়। উৎসৱ-অনুষ্ঠানসমূহক সাধাৰণতে কেইটিমান শ্ৰেণীত বিভক্ত কৰি আলোচনা কৰা হয়। যথা—

- ঋতুকালীন উৎসৱ-অনুষ্ঠান
- পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠান
- সীমিত অংশগ্ৰহণৰ উৎসৱ-অনুষ্ঠান
- সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান

অসমৰ লোক উৎসৱ-অনুষ্ঠানসমূহকো এইকেইটা শ্ৰেণী বিভাগৰ আধাৰতে বিচাৰ কৰিব পাৰি।

- *ঋতুকালীন উৎসৱ-অনুষ্ঠান ঃ* পৃথিৱীৰ বিভিন্ন দেশত, বিভিন্ন ঋতুত ভিন ভিন উৎসৱ-অনুষ্ঠান পালন কৰাৰ দৰে অসমতো বিভিন্ন ঋতুকালীন উৎসৱ-অনুষ্ঠানৰ পৰম্পৰা প্ৰচলিত। ঋতু অনুযায়ী সাধাৰণতে উদ্‌যাপন কৰা হয় বাবেই ইয়াক

ঋতুকালীন উৎসৱ-অনুষ্ঠান বোলা হয়। ইয়াৰ লগত জড়িত হৈ আছে কৃষি, কাৰণ লোকসমাজ প্ৰধানত কৃষিভিত্তিক। সেয়ে ইয়াক 'কৃষি উৎসৱ' বুলিও অভিহিত কৰা হয়। অসমত পালন কৰা তিনিটা বিহুৰেই ঋতুকালীন। তিনিটা বিহু কৃষি কৰ্ম তথা উৰ্ৱৰতাজনিত বিশ্বাসৰ লগত জড়িত। ঠিক সেইদৰে হুদুম পূজা, ভেকুলী বিয়া, বাম্বোলপিটা, সাৰি, দেউল, বাঁশ পূজা, মহোহো, সোণাৰায় উৎসৱ আদি হ'ল অসমৰ কৃষিভিত্তিক বা ঋতুকালীন উৎসৱ-অনুষ্ঠান।

- *পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠান ঃ* যিবোৰ উৎসৱ-অনুষ্ঠান মাহ, সংক্ৰান্তি, তিথি আদি অনুসৰি উদ্‌যাপন কৰা হয় সেইবোৰকে পঞ্জিকা আশ্ৰয়ী উৎসৱ-অনুষ্ঠান বোলে। উল্লেখযোগ্য যে বহু ঋতুকালীন উৎসৱ-অনুষ্ঠানো এই উপবিভাগত অন্তৰ্ভুক্ত কৰি আলোচনা কৰিব পাৰি। যেনে— আঘোণ মাহৰ পূৰ্ণিমাৰ দিনা পালন কৰা মহোহো উৎসৱ। অসমত লোকসমাজত প্ৰচলিত কেইটিমান উল্লেখযোগ্য এনে উৎসৱ-অনুষ্ঠান হ'ল— শিৱৰাত্ৰি, দুৰ্গা পূজা, অম্বুবাচী, মনসা পূজা, গংগা পূজা, ঈদ, মহৱম আদি।
- *সীমিত অংশগ্ৰহণৰ উৎসৱ-অনুষ্ঠান ঃ* যিবোৰ উৎসৱ-অনুষ্ঠানত সীমিত সংখ্যক মানুহ বা এক নিৰ্দিষ্ট জনগোষ্ঠীয়েহে অংশগ্ৰহণ কৰে তেনে উৎসৱ-অনুষ্ঠানসমূহকে সীমিত অংশগ্ৰহণৰ উৎসৱ-অনুষ্ঠান বুলি অভিহিত কৰা হয়। উদাহৱণস্বৰূপে আমি ভিতৰুৱা সকাম, কুঁহিয়াৰ পেৰা, আগ অনা, নাও পূজা, গোচ উঠা, গোচ লোৱা, চুন্নত আদি উৎসৱৰ লগতে মাছমৰীয়া, মৰিয়া, কুমাৰ, কমাৰ, হীৰাসকলৰ মাজত প্ৰচলিত থকা বিভিন্ন উৎসৱবোৰ নাম ল'ব পাৰোঁ।
- *সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান ঃ* লোকসমাজত এজন ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈকে বিভিন্ন ধৰণৰ উৎসৱ-অনুষ্ঠান পালন কৰা হয়। মানুহৰ জীৱন-বৃত্তৰ লগত জড়িত হৈ থকা এনে উৎসৱ-অনুষ্ঠানসমূহকে সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান বুলি অভিহিত কৰা হয়। এই ধৰণৰ উৎসৱ-অনুষ্ঠানসমূহকো পুনৰ কেইবাটাও উপবিভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। অসমীয়া লোকসমাজৰ উৎসৱ-অনুষ্ঠানকো ইয়াৰ মাজতে সামৰি আলোচনা কৰিব পাৰি। তলত সেই ভাগসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল—
  - গৰ্ভধাৰণ আৰু সন্তান জন্মৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— পঞ্চামৃত, পুংসৱন, ইত্যাদি।
  - জন্ম আৰু শৈশৱৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— জাতকৰ্ম, নামকৰণ, চূড়াকৰণ, অন্নপ্ৰসন্ন, কৰ্ণবোধ আদি।
  - দীক্ষা আৰু শৰণ গ্ৰহণৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— উপনয়ন, দীক্ষাগ্ৰহণ, লগুণ দিয়নী আদি।

- বিৰাহাৰ্থ বাগদান আৰু বিবাহৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— বিবাহ (তোলনী বিয়া, আগবিয়া, পাচবিয়া), জোৰোণ দিয়া, খুবা-খুবলি আদি।
- মৃতকৰ সংস্কাৰৰ লগত জড়িত উৎসৱ-অনুষ্ঠান, যেনে— খৰি দিয়া, সংস্কাৰ, শ্ৰাদ্ধ আদি।

উল্লেখযোগ্য যে সংস্কাৰমূলক উৎসৱ-অনুষ্ঠানসমূহ মূলতঃ আনুষ্ঠানিক আৰু ঘৰুৱা উৎসৱ-অনুষ্ঠান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ 'সোণাৰায় উৎসৱ' কোন প্ৰকাৰৰ উৎসৱ-অনুষ্ঠান ?

.....



চিন্তা-চৰ্চা কৰক — ১২.২

আপোনাৰ অঞ্চলত প্ৰচলিত বিবিধ লোক উৎসৱ-অনুষ্ঠানৰ বিষয়ে বহলাই লিখক।

১২.৩.৩ অৱসৰ-বিনোদন আৰু খেল-ধেমালি

লোকজীৱনত আনন্দ আৰু কৰ্মস্পৃহা যেনেকৈ আছে ঠিক তেনেদৰে এইবোৰৰ পৰা ক্ষন্তেক বিৰতিৰ বাবে বিভিন্ন অৱসৰ-বিনোদন আৰু খেল-ধেমালিও প্ৰচলিত হৈ আহিছে। মূলতঃ লোকজীৱনক গতিশীল আৰু ক্ৰিয়াশীল কৰি ৰাখিবৰ বাবেই এইবোৰৰ জন্ম। লোকখেল-ধেমালিৰ মাজত এখন সমাজৰ সামাজিক আচৰণ প্ৰতিফলিত হয়, সেয়ে ইয়াক 'অভিজ্ঞাপিত আচৰণ' বোলে। এই খেল-ধেমালিবোৰ সাধাৰণতে স্বেচ্ছাকৃত, মানুহৰ জৈৱিক প্ৰয়োজনীয়তাৰ লগত পোনপটীয়াকৈ সম্পৰ্কযুক্ত নহয়। ইয়াত শাৰীৰিক, মানসিক প্ৰকাৰ্য জড়িত হৈ থাকে আৰু এইবোৰ অনুৎপাদক। কাৰণ ইয়াৰ লগত টকা-পইচাৰ বিশেষ সম্পৰ্ক নাই। বিভিন্ন সামাজিক প্ৰকাৰ্যত ইয়াৰ উপস্থিতি লক্ষ্য কৰা যায়। খেলত প্ৰতিযোগিতাৰ ভাব থাকে কিন্তু ধেমালিত ই অনুপস্থিত। খেলবিলাকত কিছুমান ধৰা বন্ধা নিৰ্দিষ্ট নিয়ম থাকে, কিন্তু ধেমালিত সাধাৰণতে নাথাকে।

অসমৰ লোকসমাজতো অতীজৰে পৰা বিভিন্ন ধৰণৰ খেল-ধেমালি তথা অৱসৰ- বিনোদৰ উপকৰণৰ উপস্থিতি লক্ষ্য কৰা যায়। কিছুমান খেল-ধেমালি ঋতু সাপেক্ষও। কিছুমান খেল ঘৰৰ বাহিৰত (Outdoor) আৰু কিছুমান খেল ঘৰৰ ভিতৰৰ (Indoor)। অসমৰ লোকসমাজত প্ৰচলিত খেলসমূহ কোনে কেতিয়া, কেনেকৈ আৱিষ্কাৰ কৰিছিল তাৰ কোনো তথ্য পোৱা নাযায়। বহু খেল এতিয়া অধুনালুপ্ত হৈ

পৰিছে। উল্লেখযোগ্য যে আহোম স্বৰ্গদেওসকলৰ উৎসাহ-উদ্দীপনাতো কিছুমান খেলে বিকাশ লাভ কৰিছিল। খেল-ধেমালিসমূহক মূলতঃ দুটা প্ৰধান ভাগত বিভাজিত কৰি আলোচনা কৰিব পাৰি। যথা—

- অৱসৰ বিনোদনধৰ্মী খেল-ধেমালি
- প্ৰতিযোগিতামূলক খেল-ধেমালি

➢ *অৱসৰ-বিনোদনধৰ্মী খেল-ধেমালি ঃ* অৱসৰ-বিনোদনৰ বাবে কিছুমান খেল-ধেমালি আমাৰ অসমীয়া সমাজত অতীজৰে পৰা প্ৰচলন হৈ আহিছে। এইবোৰকো পুনৰ দুটা উপবিভাগত বিভাজিত কৰি আলোচনা কৰিব পাৰি।

❍ ওমলাগীতৰ লগত সম্পৰ্কিত ঃ সাধাৰণতে কেঁচুৱা, চেমনীয়া, কিশোৰ-কিশোৰীয়ে অৱসৰ-বিনোদনৰ বাবে বিভিন্ন ধৰণৰ ধেমালি কৰে। বয়সস্থসকলে কেঁচুৱা ওমলাবৰ বাবেও কিছুমান খেল খেলে। অসমীয়া সমাজত কেঁচুৱাক দুই কাষলতিৰ তলেৰে হাত সুমোৱাই উচল মাৰি ওপৰলৈ দলিয়াই দিয়া ধেমালি; শিশুক নিচুকাবলৈ গোৱা 'শালিকী এ' ৰটো টৌ', বা 'বগলী এ সবাহলৈ নগলি কিয় ?' আদি গান গাই কৰা ধেমালি; পৰিৱেশ পৰিস্থিতিভেদে থাউকতে নাচি অংগী-ভংগী কৰি কৰা ধেমালি, যেনে— ৰ'দ-বৰষুণৰ বতৰে লুকাভাকু খেলিলে 'খৰাঁ শিয়ালৰ বিয়া' গীত গাই কৰা ধেমালি; শিশুসকলে কৰ্ম জীৱনৰ বাবে কৰা আখৰাসদৃশ খেল, যেনে— লুকাভাকু, পুতলাৰ দৰা-কইনা, বালি ভাত ৰন্ধা, পানী হিলৈ ফুটোৱা আদি; বিনোদনৰ বাবে কৰা খেল যেনে— অলং-দলং, হেতালি, অলৌগুটি তলৌগুটি আদি এনেধৰণৰ খেল।

❍ প্ৰদৰ্শনমূলক কিন্তু অপ্ৰতিযোগিতামূলক ঃ লোকসমাজত চেমনীয়া, কিশোৰ-কিশোৰীৰ মাজত অপ্ৰতিযোগিতামূলক কিন্তু প্ৰদৰ্শনমূলক কিছুমান খেল-ধেমালিৰো প্ৰচলন আছে। অসমীয়া সমাজত প্ৰচলিত— পেং খেল, ওলোটা খৰ মৰা, গৰখীয়া এছাৰি খেল, চিলা উৰোৱা, লাটুম ঘূৰোৱা, কুকুৰা যুঁজ, মালযুঁজ কৰা, সাঁতোৱা, জাপ মৰা, দৌৰা আদি হৈছে এই ধৰণৰ খেল।

➢ *প্ৰতিযোগিতামূলক খেল-ধেমালি ঃ* যিবোৰ খেলত নিৰ্দিষ্ট ধৰা বন্ধা নিয়ম থাকে, হৰা-জিকা হয় তেনে খেলবোৰকে প্ৰতিযোগিতামূলক খেল-ধেমালি বোলে। অসমীয়া লোকসমাজত এনে ধৰণৰ বিভিন্ন খেল আছে। অসমীয়া লোকসমাজত প্ৰচলিত এই প্ৰকাৰৰ খেলসমূহক পুনৰ তিনিটা উপবিভাগত বিভক্ত কৰি আলোচনা কৰিব পাৰি।

❍ এককভাৱে খেলা খেল ঃ যিবোৰ প্ৰতিযোগিতামূলক খেলত অকলে অংশগ্ৰহণ কৰিব পাৰি সেইবোৰকে এককভাৱে খেলা খেল বুলি অভিহিত কৰা হয়। অসমীয়া জন-সমাজত প্ৰচলিত কণী যুঁজ, কড়ি খেল, পাশা খেল, ঘিলা খেল, টাংগুটি, খুলিখেল (গাঁতা খেলি/চেংগুটি), বাঘঢাল (চক্ৰবেহু) আদি

হ'ল এককভাৱে খেলা খেল।

- দলীয়াভাৱে খেলা খেল ঃ যিবোৰ প্রতিযোগিতামূলক খেল দুটা বা তাতোধিক দলত বিভক্ত হৈ খেলা যায় সেইবোৰকে দলীয়ভাৱে খেলা খেল বুলি কোৱা হয়। অসমীয়া সমাজত প্রচলিত হাউণ্ডু, ঢোপ খেল, ঘাই পকোৱা খেল, ৰচী টনা খেল, হাজামণি খেল, নাওখেল আদি খেল এই শ্রেণীত অন্তর্ভুক্ত।
- পোহ মনা জীৱ-জন্তু, পশু-পক্ষীৰ খেল ঃ যিবোৰ খেল পোহ মনা জীৱ-জন্তু, চৰাই আদিৰ জৰিয়তে অনুষ্ঠিত কৰা হয় সেইবোৰ খেল এই বিভাগত অন্তর্ভুক্ত। অসমীয়া লোকসমাজত এনে ধৰণৰ বহু খেল এতিয়াও প্রচলিত। হাজো অঞ্চলত মাঘৰ বিহুৰ সময়ত খেলোৱা 'বুলবুলি যুঁজ', মৰিগাঁৱৰ আঁহতগুৰিকে ধৰি অসমৰ বিভিন্ন ঠাইত মাঘৰ বিহুত খেলোৱা 'ম'হ যুঁজ' জগত বিখ্যাত বুলিয়েই ক'ব পাৰি। উল্লেখযোগ্য যে আহোম স্বর্গদেওসকলৰ দিনত ৰংঘৰ বাকৰিত বিভিন্ন ধৰণৰ এনে প্রকাৰৰ খেল-ধেমালি অনুষ্ঠিত কৰা হৈছিল। সেই বোৰৰ ভিতৰত শেন যুঁজ, কণোৱা যুঁজ, হাতী যুঁজ, কুকুৰা যুঁজ আদি উল্লেখযোগ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ 'লুকাভাকু কোন প্রকাৰৰ খেল?

.....



চিন্তা-চর্চা কৰক — ১২.৩

ইয়াত উল্লেখ কৰা খেলবোৰৰ ভিতৰত আপুনি জনা খেলসমূহৰ বিষয়ে বহলাই লিখিবলৈ যত্ন কৰক।

১২.৩.৪ লোকঔষধ আৰু লোকচিকিৎসা

পূর্বতে জনসমাজত নিজৰ তথা পোহনীয়া জীৱ-জন্তু, পশু-পক্ষীৰ ৰোগ নিৰাময়ৰ বাবে বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদি ব্যবহাৰ কৰিছিল। ইয়াৰ পৰিণতিতেই জন্ম লোকঔষধ, লোকচিকিৎসা। লোকচাৰ অধ্যয়নত ইয়াৰ ভূমিকা সুদূৰ প্রসাৰী। অসমীয়া লোকসমাজতো পূর্বৰে পৰা ইয়াৰ প্রচলন থকাৰ প্রমাণ আমি ডাকৰ বচন, ফকৰা যোজনা আদিত পাওঁ। অসমৰ লোকঔষধ আৰু লোকচিকিৎসাক মূলতঃ দুটা শ্রেণীত বিভক্ত কৰি আলোচনাত প্রবৃত্ত হ'ব পাৰি।

- প্রাকৃতিক লোকচিকিৎসা
- যাদুবিদ্যাগত ধর্মীয় লোকচিকিৎসা

➢ *প্ৰাকৃতিক লোকচিকিৎসা ঃ* বনৌষধিক আশ্ৰয় কৰি কৰা চিকিৎসা পদ্ধতিকে প্ৰাকৃতিক লোকচিকিৎসা বোলে। বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদিয়েই হ'ল ইয়াৰ মূল উপাদান। ইয়াক সেই বাবে 'ভেষজ ঔষধ' বুলিও কোৱা হয়। আমি জানো যে অসম দেশ প্ৰাকৃতিকভাৱে অতিকে চহকী। অসমৰ বনত পোৱা বিভিন্ন গছ-গছনি, তৃণ আদিৰ পৰা লোকঔষধ প্ৰস্তুত কৰা হয়। আদা, হালধি, নিম, ব্ৰাহ্মী শাক, জেতুকা, মহানিম, সৰিয়হ, ভেদাইলতা, নিম, বিহলঙনি, নহৰু, ধনিয়া, তেজপাত, পিপলি, জালুক, নিম, বেল, আমলখি, শিলিখা, ভোমোৰা, আশোক, আম, অমৃত, কল, মধুৰী আম, তুলসী, বাহাক আদি বিভিন্ন গছ-গছনি, তৃণ লোকঔষধ ৰূপে ব্যৱহাৰ কৰা হয়। ডাকৰ বচনত উল্লেখ আছে —

ভাত খাই উঠি খাই তিনি শিলিকা।
তাক কি কৰিবে ৰোগ পিলিকা।।
লোণ জালুকেৰে খুওৱাবা ঝাল।
তেবে স্তনৰস হৈবে ভাল।।

অসমৰ লোকসমাজত প্ৰচলিত কেইটিমান প্ৰাকৃতিক লোকঔষধ হ'ল— কাঁহ হ'লে তুলসী পাতৰ লগত মৌ মিহলাই খুৱাব লাগে; কাঁহ, বুকুৰ বিষৰ বাবে সিজু গছ ব্যৱহাৰ কৰা হয়; অমিতা পিত্ত, বদহজম, কোষ্ঠ-কাঠিন্য, অৰ্শ আদি ৰোগত খাব লাগে; দাঁতৰ বিষ নিৰাময়ৰ বাবে সৌৰা আৰু মহানিমেৰে দাঁত ঘহা ভাল নাইবা বকুল চাল আৰু মহানিমৰ ছালেৰে প্ৰস্তুত কৰা ৰসে দাঁতৰ বিষ ভাল কৰে; নখচুকীয়াৰ পৰা পৰিত্ৰাণ পাবলৈ জেতুকা লগাব লাগে; ফেঁচা আৰু ঘৰচিৰিকাৰ মঙহ কামোদ্দীপক ঔষধ; ব্ৰাহ্মী আৰু মানিমুনি শাক খালে স্মৃতিশক্তি বৃদ্ধি হয়; মানিমুনি আৰু টেঙেচী টেঙাৰ পাত চকুৰ ৰোগৰ বাবে ভাল; কেঁচা নহৰু খালে বাতবিষ তথা উচ্চ ৰক্তচাপ কমে, ইত্যাদি। উল্লেখযোগ্য যে বিভিন্ন ঋতুত কেনেদৰে আহাৰ গ্ৰহণ কৰিব লাগে সেই বিষয়েও ডাকৰ বচনত উল্লেখ আছে—

জেঠত দৈ আহাৰত খৈ।
শাওনে মৰাপাটা খাবা গৈ।।
ভাদত ওল আহিনত কল।
কাতিত কচুই বঢ়াই বল।।
আঘোণত খাবা চৰাই।
পুহৰ পিঠা মাঘত কড়াই।
ফাগুণত মৌ চ'তত ঔ।
ইয়াকে খালে পুৰুষৰ গুচে কৰ্মজ্বৰ।।

এনেদৰে বিচাৰ কৰিলে দেখা যায় যে অসমীয়া লোকসমাজত প্ৰচুৰ লোকঔষধৰ

বিধান আছে। কেৱল মানুহৰ ক্ষেত্ৰতেই নহয় বিভিন্ন ঘৰচীয়া জীৱ-জন্তুৰ ক্ষেত্ৰতো ৰোগ নিৰাময়ৰ বাবে প্ৰাকৃতিক ঔষধ ব্যৱহাৰ কৰা হয়। ইয়াৰ প্ৰকৃষ্ট উদাহৰণ হিচাপে আমি আহোম যুগত ৰচিত হোৱা *হস্তিবিদ্যাৰ্ণৱ* আৰু *ঘোঁৰা নিদান* পুথি দুখনৰ কথা উল্লেখ কৰিব পাৰোঁ



চিন্তা-চৰ্চা কৰক — ১২.৪

আপোনাৰ অঞ্চলত প্ৰচলিত থকা বিবিধ প্ৰাকৃতিক লোকঔষধৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

- *যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা ঃ* বিভিন্ন লোকচিকিৎসা বিশ্বাসনিষ্ঠভাৱেও পালন কৰা হয়। ইয়াত বিশ্বাসেই মূল ভেটি, বিশ্বাসৰ আধাৰতেই ৰোগ-ব্যাধিৰ উৎপত্তিৰ কাৰণ তথা তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰা হয়। অসমীয়া সমাজতো বিভিন্ন ৰোগৰ কাৰণ নিৰ্ধাৰণ কৰিবৰ বাবে মঙলচোৱা কাৰ্য সম্পাদন কৰা দেখা যায়। বহু সময়ত ভূতে ধৰিছে বা অপদেৱতাই-অপদেৱীয়ে লম্ভিছে বুলি পূজা-উপাসনা কৰাৰ লগতে মন্ত্ৰমাতি, বিভিন্ন গছ-লতিকাৰ পাতেৰে মৰিয়াই জৰা-ফুকা দেখা যায়। এনেদৰে সৰৱজান বা মঙলমতিয়ে কঁড়ি বা ৰেখা আদি বিভিন্ন যাদুমূলক আচৰণেৰে ৰোগৰ কাৰণ নিৰ্দ্ধাৰণ কৰাৰ লগতে তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰে।

  লোকচিকিৎসাৰ এই বিভাগটিত মন্ত্ৰ প্ৰয়োগো কৰা হয়। আপুনি নিশ্চয় জানে যে অসম দেশ 'যাদু-মন্ত্ৰৰ দেশ' বুলিয়েই জগত বিখ্যাত। বহু সময়ত মন্ত্ৰ অকল্যান কামনাৰেও প্ৰয়োগ কৰা হয়। অসমত প্ৰচলিত মন্ত্ৰবোৰৰ ভিতৰত সৰ্বঢাক মন্ত্ৰ, কৰতি মন্ত্ৰ, সৰ্পৰ ধৰণী মন্ত্ৰ, পিশাচ মন্ত্ৰ, জ্বৰৰ মন্ত্ৰ, বিষৰ মন্ত্ৰ আদি উল্লেখযোগ্য। ৰোগ-ব্যাধি নিৰাময়ৰ বাবে প্ৰয়োগ কৰা মন্ত্ৰ তথা চিকিৎসা পদ্ধতিসমূহত বিভিন্ন জীৱ-জন্তু বা তেজ আগবঢ়াই ৰোগীৰ আৰোগ্য কামনা কৰা হয়। এই প্ৰকাৰ্য সাধন কৰে বেজ-বেজনী, দেওধাই, কবিৰাজ, ওজাসকলে।

  উল্লেখযোগ্য যে এনে ধৰণৰ লোকচিকিৎসা তথা লোকঔষধ প্ৰণালীয়ে যুগ যুগ ধৰি জনসমাজৰ মাজত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। সাধাৰণতে লোকসমাজত এনে চিকিৎসা পদ্ধতিয়ে প্ৰাধান্য লাভ কৰে যদিও অভিজাত সমাজতো ইয়াৰ প্ৰচলন থকা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ চকুৰ ৰোগৰ বাবে ব্যৱহাৰ কৰা দুবিধ লোকঔষধৰ নাম লিখক।

.....



চিন্তা-চর্চা কৰক — ১২.৫

আপুনি জনা যাদুবিদ্যাগত ধর্মীয় লোকচিকিৎসা প্রণালীসমূহৰ বিষয়ে এটি প্রবন্ধ যুগুত কৰক।



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লোকজীৱন মুখ্যতঃ লোকবিশ্বাসৰ ভেটিত প্রতিষ্ঠিত। এই লোকবিশ্বাসৰ খেও ধৰিয়েই সৃষ্টি হৈছে লোকধর্ম আৰু বিভিন্ন আচাৰ-অনুষ্ঠান। পৰিণতিত সৃষ্টি হয় সামাজিক লোকপ্রথা বা লোকাচৰ। সামাজিক লোকাচাৰক ৰিচার্ড এম. ডৰচনে পুনৰ চাৰিটা উপবিভাগত বিভক্ত কৰি আলোচনা কৰিছে। সেই বিভাগকেইটা হ'ল — লোকবিশ্বাস আৰু লোকধর্ম, লোক উৎসৱ-অনুষ্ঠান, অৱসৰ-বিনোদন আৰু খেল-ধেমালি, লোকঔষধ আৰু লোকচিকিৎসা। অসমৰ সামাজিক লোকাচাৰসমূহো এই বিভাজনৰ আধাৰতে আলোচনা কৰিব পাৰি।
- লোকবিশ্বাসৰ আধাৰতেই যিকোনো এখন জন-সমাজৰ বিবিধ আচাৰ-অনুষ্ঠান, ধর্মীয় কৃত্য আৰু লোকধর্মৰ উমান পাব পাৰি। অর্থাৎ লোকবিশ্বাসৰ আধাৰতেই এইবোৰ গঢ় লৈ উঠে। আনহাতে লোকবিশ্বাসৰ মাজতে সোমাই আছে অন্ধবিশ্বাসো। অন্ধবিশ্বাস বুলি ক'লে আমি সেইবিলাক বিশ্বাসৰ কথাকেই বুজিম যিবোৰ যুক্তিৰে বিশ্লেষণ কৰিব নোৱাৰি। গঠনপ্রণালী বা বিষয়বস্তুৰ ফালৰ পৰাও অসমীয়া লোকবিশ্বাসক বিভিন্ন ধৰণে ভাগ কৰি আলোচনা কৰিব পাৰি।
- জনসমাজত প্রচলিত বিভিন্ন লোকবিশ্বাসৰ আধাৰতে লোকধর্মৰ সৃষ্টি হৈছে। লোকধর্ম মানে আমি লোকসমাজত প্রচলিত ধর্মৰ কথাকেই বুজোঁ।
- পৰম্পৰাগতভাৱে লোকসমাজত প্রচলিত হৈ অহা উৎসৱ-অনুষ্ঠানসমূহকে লোকউৎসৱ-অনুষ্ঠান বুলি কোৱা হয়। উৎসৱ-অনুষ্ঠান মূলতঃ বিশেষ এক নির্দিষ্ট সামাজিক বা সাংস্কৃতিক আচৰণৰ আধাৰত জন্ম নহয়। বিভিন্ন সাংস্কৃতিক আচৰণৰ সমষ্টিগত উপাদানৰ অনুষংগ স্বৰূপে উৎসৱ-অনুষ্ঠান উদ্‌যাপন কৰা হয়। উৎসৱ-অনুষ্ঠানসমূহক সাধাৰণতে কেইটিমান শ্রেণীত বিভক্ত কৰি আলোচনা কৰা হয়। যথা— ঋতুকালীন উৎসৱ-অনুষ্ঠান, পঞ্জিকা আশ্রয়ী উৎসৱ-অনুষ্ঠান, সীমিত অংশগ্রহণৰ উৎসৱ-অনুষ্ঠান, সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান।
- লোকজীৱনত আনন্দ আৰু কর্মস্পৃহা যেনেকৈ আছে ঠিক তেনেদৰে এইবোৰৰ পৰা ক্ষন্তেক বিৰতিৰ বাবে বিভিন্ন অৱসৰ-বিনোদন আৰু খেল-ধেমালিও প্রচলিত হৈ আহিছে। মূলতঃ লোকজীৱনক গতিশীল আৰু ক্রিয়াশীল কৰি ৰাখিবৰ বাবেই এইবোৰৰ জন্ম। খেল-

ধেমালিসমূহক মূলতঃ দুটা প্ৰধান ভাগত বিভাজিত কৰি আলোচনা কৰিব পাৰি। যথা— অৱসৰ বিনোদনধৰ্মী খেল-ধেমালি, প্ৰতিযোগিতামূলক খেল-ধেমালি।

- পূৰ্বতে জনসমাজত নিজৰ তথা পোহনীয়া জীৱ-জন্তু, পশু-পক্ষীৰ ৰোগ নিৰাময়ৰ বাবে বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদি ব্যবহাৰ কৰিছিল। ইয়াৰ পৰিণতিতেই জন্ম লোকঔষধ, লোকচিকিৎসা। অসমৰ লোকঔষধ আৰু লোকচিকিৎসাক মূলতঃ দুটা শ্ৰেণীত বিভক্ত কৰি আলোচনাত প্ৰবৃত্ত হ'ব পাৰি — প্ৰাকৃতিক লোকচিকিৎসা, যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা। বনৌষধিক আশ্ৰয় কৰি কৰা চিকিৎসা পদ্ধতিকে প্ৰাকৃতিক লোকচিকিৎসা বোলে। বিভিন্ন গছ-লতা-তৃণৰ পাত, ফুল-ফল, ছাল-শিপা, কাঁইট আদিয়েই হ'ল ইয়াৰ মূল উপাদান। ইয়াক সেই বাবে 'ভেষজ ঔষধ' বুলিও কোৱা হয়।
- বিভিন্ন লোকচিকিৎসা বিশ্বাসনিষ্ঠভাৱেও পালন কৰা হয়। ইয়াত বিশ্বাসেই মূল ভেটি, বিশ্বাসৰ আধাৰতেই ৰোগ-ব্যাধিৰ উৎপত্তিৰ কাৰণ তথা তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰা হয়। অসমীয়া সমাজতো বিভিন্ন ৰোগৰ কাৰণ নিৰ্ধাৰণ কৰিবৰ বাবে মঙলচোৱা কাৰ্য সম্পাদন কৰা দেখা যায়। সৰৱজান বা মঙলমতিয়ে কঁড়ি বা ৰেখা আদি বিভিন্ন যাদুমূলক আচৰণেৰে ৰোগৰ কাৰণ নিৰ্দ্ধাৰণ কৰাৰ লগতে তাৰ তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰে। ইয়াকে যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা বোলে।লোকচিকিৎসাৰ এই বিভাগটিত মন্ত্ৰ প্ৰয়োগো কৰা হয়।



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাগ্য়ুং, ভৃগুমুনি (সম্পা.) (১৯৭০); *মিচিং সংস্কৃতিৰ আলেখ্য;* গুৱাহাটী।

২) গগৈ, লীলা (১৯৯৪); *অসমৰ সংস্কৃতি;* ডিব্ৰুগড় ঃ বনলতা।

৩) গোস্বামী, প্ৰফুল্ল দত্ত (১৯৮৬); *অসমীয়া জনসাহিত্য;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৪) তাহেৰ, মহম্মদ (মুখ্য সম্পা.) (২০০৫); *বিশ্বকোষ (অষ্টম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৫) তাহেৰ, মহম্মদ (মুখ্য সম্পা.) (২০০৬); *বিশ্বকোষ (নৱম খণ্ড);* গুৱাহাটী ঃ অসম সাহিত্য সভা।

৬) দাস, যুগল; *অসমৰ লোককলা;* গুৱাহাটী।

৭) নাৰ্জি, ভবেন (১৯৭১); *বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি;* গুৱাহাটী।

৮) নেওগ, ডিম্বেশ্বৰ (১৯৬৪); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী;* গুৱাহাটী।

৯) নেওগ, মহেশ্বৰ (১৯৬৪), *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১০) নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সংকলন আৰু সম্পা.) (১৯৮৯); *অসমীয়া সংস্কৃতি;* ডিব্ৰুগড় ঃ বনলতা।

১১) বৰদলৈ, নিৰ্মলপ্ৰভা (১৯৭১); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৫); *অসমৰ লোকসংস্কৃতি;* গুৱাহাটী।

১৩) ৰাজবংশী, পৰমানন্দ (সম্পা.) (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি;* গুৱাহাটী ঃ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়।

১৪) হাকাচাম, উপেন ৰাভা (২০১০); *অসমৰ জনজাতীয় সংস্কৃতি;* গুৱাহাটী ঃ বাণী মন্দিৰ।

১৫) শৰ্মা, নবীন চন্দ্ৰ (১৯৯৮); *অসমীয়া লোকসংস্কৃতিৰ আভাস;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

১৬) শৰ্মা, নবীন চন্দ্ৰ (সম্পা.) (১৯৮৭); *ডাক প্ৰৱচন;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

১৭) হাজৰিকা, বিশ্বেশ্বৰ (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

ইংৰাজী গ্ৰন্থ ঃ

১৮) Baruah, B. K. (1969). *A Cultural History of Assam*. Guwahati: Lawyer's Book Stall.

১৯) Dorson, R. M. (ed.)(1972). *Folklore and Folklife: An Introduction.* Chicago: The University of Chicago Press.

২০) Dundes, A. (1978). *Essays in Folkloristics*. Folklore Institute.

২১) Dutta, B. N. & et. al. (ed.)(1994). *A Hand Book of Folklore Material of North-East India*. Guwahati: ABILAC.

২২) Leach, M. (1972). *Standard Dictionary of Folklore*. Funk & Wagnalls.

২৩) Sarma, N.C. (1988). *Essays in the Folklore of North-Eastern India*. Guwahati: Bani Prakasan.

১২.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ লোকায়ত আচাৰ-অনুষ্ঠান।

২ নং প্ৰশ্নৰ উত্তৰ ঃ লোকবিশ্বাসৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ খাদ্য সম্পৰ্কীয় লোকবিশ্বাস।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ঋতুকালীন উৎসৱ-অনুষ্ঠান।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শিশুসকলে কৰ্ম জীৱনৰ বাবে কৰা আখৰাসদৃশ খেল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ মানিমুনি আৰু টেঙেচী টেঙাৰ পাত।



১২.৭ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক —

ক) সামাজিক লোকপ্ৰথা বা লোকাচাৰ মানে কি?

খ) সামাজিক লোকচাৰত কি কি বিষয় সন্নিৱিষ্ট হৈ আছে?

চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমৰ লোক উৎসৱ-অনুষ্ঠান সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ চমুটোকা লিখক —

ক) সংকেত লোকবিশ্বাস

খ) যাদু লোকবিশ্বাস

গ) পৰিৱৰ্তিত লোকবিশ্বাস

ঘ) ঋতুকালীন উৎসৱ-অনুষ্ঠান

ঙ) সংস্কাৰমূলক উৎসৱ-অনুষ্ঠান

চ) প্ৰতিযোগিতামূলক খেল-ধেমালি

ছ) প্ৰাকৃতিক লোকচিকিৎসা।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সামাজিক লোকপ্ৰথা বা লোকাচাৰে কোনবোৰ দিশ সামৰে? প্ৰত্যেক বিধৰে পৰ্যালোচনা কৰক।

প্ৰশ্ন ২ ঃ লোকবিশ্বাস আৰু লোকধৰ্ম মানে কি? অসমীয়া লোকবিশ্বাস আৰু লোকধৰ্মৰ বিষয়ে উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ৩ ঃ অসমত প্ৰচলিত অৱসৰ-বিনোদন আৰু খেল-ধেমালিবোৰৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৪ ঃ অসমৰ লোকঔষধ আৰু লোকচিকিৎসা প্ৰণালী সম্পৰ্কে এটি প্ৰবন্ধ লিখক।

*** ***** ***